# 2018

## ELECTIVE ASSAMESE

Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া চুটিগল্প প্ৰকাশ হোৱা প্ৰথম আলোচনীখনৰ নাম কি?

(খ) 'ভদৰী' গল্পটোৰ লেখক কোন?

(গ) শীলভদ্ৰ কোন যুগৰ গল্পকাৰ?

(ঘ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?

(ঙ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ এখন গল্পপুথিৰ নাম লিখা।

(চ) নদৰামে ক'ত যুদ্ধ কৰিছিল?

(ছ) কাৰ সৈতে দয়ালৰ হতাহতি লাগিছিল ?

(জ) দুৰ্যোধনৰ ভনীয়েকৰ নাম কি আছিল ?

(ঝ) বাখৰৰ বাপেক কোনখন চাহ বাগিছাৰ বৰ-কেৰাণী আছিল ?

(ঞ) নিনি কোন ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অনুপমাৰ ঘৰ ক'ত আছিল ? অনুপমাৰ ঘৰত মতা নাম কি ?

(খ) 'আৱাহন' কেতিয়া প্ৰকাশিত হৈছিল ? ইয়াৰ প্ৰথম সম্পাদক কোন আছিল ?

(গ) 'মাকণৰ গোসাঁই' গল্পটোৰ মূল চৰিত্ৰ দুটাৰ নাম কি কি ?

(ঘ) দয়াল কোন মহলদাৰৰ মহৰী আছিল ? তাৰ মাজু পুতেকৰ নাম কি ?

(ঙ) "অ', মোক তেনে ৰান্ধনিটোৰ সলনিহে বিচাৰি আহিছে ?" এই কথাষাৰ কোনে, কাক কৈছিল ?





৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "নদৰাম, তুমি সাচ্চা আদ্‌মি আছে।" নদৰামক কিয় 'সাচ্চা আদ্‌মি' বুলি কোৱা হৈছে, গল্পটোৰ আধাৰত বিচাৰ কৰা।

(খ) শীলভদ্ৰৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(গ) অসমীয়া চুটিগল্পৰ বিকাশত 'জোনাকী' আলোচনীৰ ভূমিকা সম্পৰ্কে লিখা।

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ নায়ক হিচাপে বাখৰ চৰিত্ৰটিৰ এটি মূল্যায়ন কৰা।

৪। (ক) 'ৰামধেনু যুগ'ৰ চুটিগল্প সন্দৰ্ভত এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া উপন্যাসৰ ক্ষেত্ৰলৈ ৰজনীকান্ত বৰদলৈৰ অৱদান চমুকৈ লিখা।

৫। (ক) 'মাকণৰ গোসাঁই' গল্পটোত মাকণৰ চাৰিত্ৰিক দৃঢ়তা আৰু আধ্যাত্মিক সংযমে কেনেদৰে বাপুকণ গোসাঁইৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনিলে, গল্পটোৰ আলমত বিচাৰ কৰা। ১০

*অথবা*

(খ) "সৰু সৰু ঘটনা বা পৰিস্থিতিক জীৱন্ত ৰূপ দিয়াত ভবেন্দ্ৰনাথ শইকীয়া বেছ সিদ্ধহস্ত।" ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ আধাৰত সমালোচকৰ এই কথাষাৰ বিশ্লেষণ কৰা।

৬। (ক) যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসখনক এখন পৰম্পৰাবাদী উপন্যাস হিচাপে বিচাৰ কৰা। ১০

*অথবা*

(খ) দ্বিতীয় বিশ্বযুদ্ধই কেনেদৰে অসমীয়া মানুহৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় সাধিছে, 'ডাৱৰ আৰু নাই' উপন্যাসৰ আধাৰত বিচাৰ কৰা।

৭। (ক) "যুদ্ধখনে এক বিৰাট আলোড়ন তুলি মানৱ-জাতিৰ মাজলৈ বিপুল পৰিৱৰ্তন আনি দিলে।" 'ডাৱৰ আৰু নাই' উপন্যাসৰ অনুপমা আৰু গৌৰী চৰিত্ৰৰ আধাৰত আলোচনা কৰা। ১০

*অথবা*

(খ) 'ডাৱৰ আৰু নাই' উপন্যাসখনত চাহ বাগিছাৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

★★★